জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

তিতম বছৰ, সংখ্যা ৩০৫ ● বৃহস্পতিবাৰ ● ৩১ আহাৰ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday July 16, 2026 ● ১৮ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটী

পুৰণি গোচৰ সন্দৰ্ভত
সুশান্ত বৰগোহাঁইৰ তথ্য

## ালতত ২৬৫টা, লয়ত আছে ১০টা নোহোৱা গোচৰ

টাৰ, ১৫ জুলাই ঃ অসমৰ বিভিন্ন নিম্ন ৰ্ষৰ মাৰ্চ মাহলৈকে ২৬৫টা ২০ বছৰতকৈ নহোৱাকৈ আছে। সেইদৰে গুৱাহাটী উচ্চ ত চলিত বৰ্ষৰ মাৰ্চ মাহলৈকে ২০ বছৰতকৈ ত্তি হোৱা নাই। আজি অসম বিধানসভাত মলৰ 'আদালতৰ গোচৰ নিষ্পত্তিৰ হাৰ' শ্নৰ সন্দৰ্ভত ন্যায় বিভাগৰ মন্ত্ৰী সুশান্ত চ্চ ন্যায়ালয়ৰ পৰা পোৱা তথ্যৰ আধাৰত নহাতে, নতুনকৈ ১১সংখ্যক ন্যায়াধীশ পদ ৰত প্ৰক্ৰিয়াধীন হৈ আছে বুলি তথ্য দাখিল ৰসমূহৰ খৰতকীয়া ১৩ পিঠিলৈ

## বৰঝাৰ বিমান বন্দৰৰ পৰা ইউ এ ইলৈ চলাচল কৰিব বিমান

গুৱাহাটী ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৫ জুলাই ঃ এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে উত্তৰ-পূব ভাৰতক সংযুক্ত আৰব আমিৰাটছ (ইউ এ ই)ৰ সৈতে প্ৰত্যক্ষ আন্তঃৰাষ্ট্ৰীয় বিমান সংযোগ স্থাপন কৰি গুৱাহাটীৰ পৰা নতুন আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা আৰম্ভ কৰিছে। ইয়াৰ ফলত উত্তৰ-পূব ভাৰত আৰু উপসাগৰীয় অঞ্চলৰ মাজৰ বিমান সংযোগ অধিক শক্তিশালী হ'ব। এয়াৰলাইনে ১৩ পিঠিলৈ

দিল্লীত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

## ডিব্ৰুগড়ৰ জ্যোতি প্ৰসাদ কানৈক 'লাইফটাইম লিগেচি বঁটা' প্ৰদান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৫ জুলাই ঃ অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক অত্যন্ত আনন্দ আৰু গৌৰৱৰ খবৰ কঢ়িয়াই আনি ডিব্ৰুগড়ৰ বিশিষ্ট তথা জ্যেষ্ঠ চাৰ্টাৰ্ড একাউণ্টেণ্ট জ্যোতি প্ৰসাদ কানৈক নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় 'লাইফটাইম লিগেচি বঁটা' প্ৰদান কৰা হয়। দেশজুৰি উদ্‌যাপিত ৰাষ্ট্ৰীয় 'চাৰ্টাৰ্ড একাউণ্টেণ্ট দিৱস'ৰ এটা বিশেষ গাম্ভীৰ্যপূৰ্ণ সন্ধিয়াত তেওঁক এই মৰ্যাদাপূৰ্ণ সন্মানেৰে বিভূষিত কৰা হয়। দেশৰ অগ্ৰণী ব্যাৱসায়িক ছফ্টৱেৰ প্ৰতিষ্ঠান 'টেলী চলিউশ্যনছ লিমিটেড'ৰ দ্বাৰা প্ৰৱৰ্তন কৰা এই বঁটাটো চি এ জ্যোতি প্ৰসাদ কানৈক ১৩ পিঠিলৈ



জ্যৰ ফুটবলপ্ৰেমীলৈ

## বিশ্বকাপৰ ইনেলৰ নিশ খোলা থাকিব

ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৫ জুলাই ঃ ৰাজ্যৰ ফুট দিলে সু-খবৰ। চলি থকা ফিফা বিশ্বকাপ ফুটবল অনুৰাগীসকলে যাতে কোনো অ অসম চৰকাৰে এক বিশেষ পদক্ষেপ গ্ৰহ কৰাত ব্যাঘাত নহয় তাৰ বাবে গুৱাহাটী খোলা ৰখাৰ অনুমতি দিছে মুখ্যমন্ত্ৰী ড° টা বিশেষ দিনতহে গুৱাহাটীৰ জিলা প্ৰশা াৰ অনুমতি লাভ কৰিব। সেই দিনকেইটা তৃতীয় স্থানৰ নিৰ্ণয়ৰ খেলৰ দিনা ১৯ জ

# দৈনিক জনমভূমি

আজিৰ দিনটোত

- ৬২২ত হজৰত মহম্মদৰ ম
- ১৮৮৮ত নোবেল বিজয়ী
- ১৯০৯ত স্বাধীনতা সংগ্ৰামী
- ১৯৪৫ত পাৰমাণৱিক বো

নিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ৩০৫ ● বৃহস্পতিবাৰ ● ৩১ আহাৰ ● ১৯৪৭ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Thursday ● July 16, 2026


ৱা হৈছে। পালটেকনিক আৰু চিকিৎসা-
চুল আকাশলংঘী কৰা হৈছে। ইণ্টাৰ্নশ্বিপৰ
ৰাৰ লগতে ২০২৫ চনৰ পৰা আৰম্ভ কৰা
d) পাঠ্যক্ৰমৰ প্ৰতি ছেমিষ্টাৰৰ মাচুল
ভাৱে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চশিক্ষাৰ
ঞ্চালকালয়ে শেহতীয়াকৈ ৭৫ শতাংশৰ
কিলে বিনামূলীয়া নামভৰ্তি বাতিল কৰাৰ
ৰ্ণৰূপে শিক্ষাৰ্থী বিৰোধী নীতি। এইবাৰ
ক্ষাৰ্থীৰ ভিতৰত ৮১শতাংশ (১,৮৫,৭৯৬
ৰ্থিক আয় ৪ লাখতকৈ কম। মহাবিদ্যালয়ৰ
ক-লগ থকা অথবা দৰিদ্ৰতাৰ বাবে পঢ়াৰ
ছিকিউৰিটী গাৰ্ডৰ কাম কৰা, সৰু দোকান
এই চৰ্তৰ জৰিয়তে শিক্ষাৰ অধিকাৰৰ পৰা
না কৰা হৈছে। এছ এফ আইৰ নেতাসকলে
ৰণোজ পেগুৱে 'মহাবিদ্যালয়সমূহে নিজৰ
ৰে টকা নিদিয়ে' বুলি কৰা মন্তব্যই প্ৰমাণ
ংবিধানিক দায়িত্বৰ পৰা হাত সাৰিব খোজে।
বন্ধ কৰি দিয়া চৰকাৰী বিদ্যালয়ৰ চৌহদ,
ব্যক্তিগত খণ্ড আৰু আৰ এছ এছ নিজৰ
খৰচতে মোকলাই দিয়াৰ অপচেষ্টা চলাইছে।
ৰু প্ৰতিগৰাকী শিক্ষাৰ্থীৰ শৈক্ষিক ভৱিষ্যৎ
অনাগত ৪ মাহ ধৰি সমগ্ৰ অসমজুৰি এক
নতিক আন্দোলন গঢ়ি তুলিব। এই বাৰ্তা লৈ
টো ঘৰে ঘৰে যাব আৰু প্ৰতিখন জিলা তথা
ৰেটমুখী চৰকাৰখনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ
ৰৰ সামগ্ৰী নহয়, ই এক সাংবিধানিক অধিকাৰ
ফ আই যিকোনো প্ৰত্যাহবান গ্ৰহণ কৰিবলৈ
দস্য বিনয় কৰ্মকাৰ আৰু যুটীয়া সম্পাদক
।

## ডিব্ৰুগড়ৰ জ্যোতি প্ৰসাদ...

*পাঁচ পিঠিৰ পৰা* প্ৰদান কৰে পদ্মশ্ৰী ভৰত গোয়েংকাই। তেওঁ টেলী চলিউশ্যনছৰ উপাধ্যক্ষ। চি এ কানৈয়ে সুদীৰ্ঘ পাঁচটা দশক অৰ্থাৎ আধাতকৈও অধিক শতিকা ধৰি এই ক্ষেত্ৰখনত আগবঢ়াই অহা অসাধাৰণ পেছাদাৰী উৎকৃষ্টতা, সততা, নৈতিকতা আৰু সমাজলৈ আগবঢ়োৱা অনন্য সেৱাৰ স্বীকৃতিস্বৰূপে তেওঁক এই সন্মানেৰে সন্মানিত কৰা হয়। উল্লেখযোগ্য যে এই লাইফটাইম লিগেচি বঁটাটো সমগ্ৰ দেশৰ ভিতৰতে তেনে একাংশ বাছকবনীয়া আৰু বিশিষ্ট চাৰ্টাৰ্ড একাউণ্টেণ্টকহে প্ৰদান কৰা হয়, যিসকলে কেৱল নিজৰ নিয়মিত পেছাগত কাম-কাজতে সীমাবদ্ধ নাথাকি বিত্তীয় আৰু ব্যৱসায়িক সমাজলৈ এক যুগান্তকাৰী তথা চিৰস্থায়ী অৱদান আগবঢ়াই আহিছে। পৰম্পৰাগত পেছাদাৰী নিয়মসমূহৰ উৰ্দ্ধত গৈ নতুন উদ্ভাৱন আৰু সৃষ্টিশীলতাক আদৰি লোৱা, নৱপ্ৰজন্মৰ প্ৰতিনিধিসকলক সঠিক দিশ দেখুৱাই এজন যোগ্য পথ প্ৰদৰ্শক হিচাপে থিয় দিয়া আৰু সমগ্ৰ চাৰ্টাৰ্ড একাউণ্টেন্সি বৃত্তিটোৰ মান বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলোৱা মহান ব্যক্তিত্বকহে এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়। দীৰ্ঘকাল ধৰি কৰ্পৰেট গভৰ্নেন্স, জটিল কৰ ব্যৱস্থা, বিত্তীয় নিয়মানুৱৰ্তিতা আৰু পেছাদাৰী শিক্ষাৰ ক্ষেত্ৰত জ্যোতি প্ৰসাদ কানৈৰ নিষ্ঠা আৰু গভীৰ জ্ঞান সমগ্ৰ দেশতে সৰ্বজনবিদিত। তেওঁ কেৱল নিজৰ বৃত্তিতেই সফল নহয়, বৰঞ্চ এগৰাকী বিশিষ্ট পৰামৰ্শদাতা আৰু চিন্তাশীল অগ্ৰণী ব্যক্তি হিচাপেও অতি আদৰণীয়। অসমৰ শৈক্ষিক আৰু সামাজিক বিভিন্ন কল্যাণকামী পদক্ষেপৰ সৈতেও তেওঁ সততে ওতপ্ৰোতভাৱে জড়িত হৈ আহিছে আৰু আমাৰ অঞ্চলটোৰ যুৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী তথা নৱাগত চি এসকলক অনুপ্ৰাণিত কৰাত এক অনন্য ভূমিকা পালন কৰি আহিছে। চি এ জ্যোতি প্ৰসাদ কানৈৰ এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ মহৎ স্বীকৃতি কেৱল তেওঁৰ সুদীৰ্ঘ কৰ্মময় জীৱনৰে এক বৃহৎ সাফল্য নহয়, বৰঞ্চ ই সমগ্ৰ অসম তথা উত্তৰ-পূব ভাৰতৰ বাবে এক অত্যন্ত গৌৰৱৰ বিষয়। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আমাৰ অঞ্চলটোৰ পেছাদাৰী দক্ষতা, বৌদ্ধিক অৱদান আৰু নিষ্ঠাৰ কথাই পুনৰবাৰ সজোৰে প্ৰমাণ কৰি দেখুৱালে।

লৈ যাব বুলি আশা কৰা হৈছে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত...

*পাঁচ পিঠিৰ পৰা* অভিযোগ কৰে যে ঘটনাটো পোহৰলৈ অহাৰ ১০ দিন অতিক্ৰম কৰাৰ পাছতো আৰক্ষী প্ৰশাসন আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিষয়টোক প্ৰয়োজনীয় গুৰুত্বসহকাৰে তদন্ত কৰি দোষীসকলক আইনৰ আওতালৈ অনাৰ ক্ষেত্ৰত কোনো অগ্ৰগতি দেখুৱাব পৰা নাই। আনকি মূল অভিযুক্ত এতিয়াও পলাতক হৈ থকাটোৱে তদন্ত প্ৰক্ৰিয়াৰ স্বচ্ছতা, নিৰপেক্ষতা আৰু আন্তৰিকতাক লৈও বিভিন্ন প্ৰশ্নৰ সৃষ্টি কৰিছে। আৰক্ষী প্ৰশাসনৰ নীৰৱতা আৰু তদন্তত গাফিলতিৰ অভিযোগ উত্থাপন কৰি আজি ৰূপায়ণ কৰা অৱস্থান বিক্ষোভ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিতোপন চাংমাই আৰু লব্ধ প্ৰতিম দাস উপস্থিত থাকি কয় যে এই বৃহৎ অবৈধ ধন সংগ্ৰহৰ ঘটনাই হাজাৰ হাজাৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সপোন, ভৱিষ্যৎ আৰু সমগ্ৰ শিক্ষা ব্যৱস্থাৰ ওপৰত থকা জনবিশ্বাসক গভীৰভাৱে আঘাত কৰিছে। কেৱল এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিয়েই তদন্তৰ দায়িত্ব শেষ হোৱা বুলি গণ্য কৰিব নোৱাৰি। এই জালিয়াতি চক্ৰটোৰ মুখা উন্মোচন কৰি মূল ষড়যন্ত্ৰকাৰীকে ধৰি ইয়াৰ সৈতে জড়িত প্ৰতিজন লোকক চিনাক্ত কৰি আইনৰ আওতালৈ অনাটো সময়ৰ দাবী। লগতে চৰকাৰ, আৰক্ষী প্ৰশাসন আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষক কঠোৰ সকীয়নি দি আছুৱে কয় যে কেলেংকাৰিটোৰ সৈতে জড়িত সকলো লোকক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি নিশ্চিত কৰিব লাগিব। অন্যথা শিক্ষাখণ্ডৰ স্বচ্ছতা, ন্যায় আৰু হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ সুৰক্ষাৰ স্বাৰ্থত আছুৱে পৰৱৰ্তী সময়ত গণতান্ত্ৰিকভাৱে অধিক তীব্ৰ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব। উল্লেখযোগ্য যে বিক্ষোভস্থলীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়কৰ নেতৃত্বত অহা বিশ্ববিদ্যালয়ৰ এটা প্ৰতিনিধি দলৰ সৈতে আন্দোলনকাৰীসকলৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত আছুৰ প্ৰতিনিধিসকলে বিষয়টোক বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সৰ্বোচ্চ গুৰুত্বসহকাৰে গ্ৰহণ কৰি নিৰপেক্ষ তদন্ত নিশ্চিত কৰাৰ লগতে দোষীসকলৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়।